**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

২। অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি থকা হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব।

০০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি থকা হৈছে। এই পৰ্যায়ত ৰাজ্যৰ ৫ খন আসন সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। বিজেপিৰ হৈ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত সামৰি ল'বলগীয়া বিহাৰৰ সমষ্টিকেইটাৰ বাবে দাখিল কৰা মনোনয়নসমূহ পৰহিলৈ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বিহাৰৰ সমষ্টিকেইটাৰ বাহিৰে বাকী সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ কালি সামৰণি পৰে। বিহাৰৰ সংসদীয় সমষ্টিকেইটাৰ বাবে আজিহে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। প্ৰথম পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ১০২টা লোকসভা সমষ্টিৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ভিতৰত তামিলনাডুৰ ৩৯ টা, ৰাজস্থানৰ ১২ টা, উত্তৰ প্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ছটা, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ পাঁচোটাকৈ, বিহাৰৰ চাৰিটা, পশ্চিমবংগৰ তিনিটা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মণিপুৰৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু -কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ লোকসভা সমষ্টি আছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ আমন্ত্ৰণমৰ্মে ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডিমাইট্ৰ' কুলেবা দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা নতুন দিল্লীত উপস্থিত হৈছে। এই ভ্ৰমণৰ সময়ত শ্ৰী কুলেবাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু উপ-ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ সৈতে আনুষ্ঠানিক বৈঠককে ধৰি কেইবাটাও বিষয়ত আলোচনাত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা এটা বিবৃতিযোগে জনাইছে যে দুয়োগৰাকী মন্ত্ৰীয়ে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহত দ্বিপাক্ষিক অংশীদাৰিত্ব আৰু সহযোগিতাৰ বিষয়ে আলোচনা কৰিব। ইউক্ৰেইনৰ বিদেশ মন্ত্ৰীগৰাকীয়ে ব্যৱসায়ীসকলৰ সৈতেও মত বিনিময় কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে মালয়েছিয়া ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে। তিনিখন দেশ ভ্ৰমণ কৰি অন্তিমদিনা ড° জয়শংকৰে মালয়েছিয়াৰ ডিজিটেল মন্ত্ৰী গোবিন্দ সিং দেৱৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে বিদেশ মন্ত্ৰীগৰাকীয়ে কৈছে যে দুয়োখন দেশৰ মাজত উৎকৃষ্ট পদ্ধতিৰ আদান-প্ৰদান আৰু ব্যৱসায়িক সুযোগ-সন্ধানকে ধৰি ডিজিটেল সহযোগিতাৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০

কেন্দ্ৰই ২০২৪-২৫ বৰ্ষৰ বাবে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চয়তা আইন, এম জি এনৰেগা সংশোধিত মজুৰিৰ বিষয়ে অৱগত কৰিছে। হাৰিয়ানাত দক্ষতাহীন শ্ৰমিকৰ দৈনিক মজুৰিৰ হাৰ ৩৭৪ টকা, গোৱাত ৩৬৫ টকা, কৰ্ণাটকত ৩৪৯ টকা, কেৰালাত ৩৪৬ টকা আৰু পঞ্জাৱত ৩২২ টকা। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে জনোৱা মতে, অহা ১ এপ্ৰিলৰ পৰা এই অধিসূচনা কাৰ্যকৰী হ'ব। এম জি এনৰেগাৰ মজুৰিৰ শেষৰটো পুনৰীক্ষণৰ বিষয়ে যোৱা বছৰৰ মাৰ্চ মাহত অধিসূচনা জাৰি কৰা হৈছিল।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে

শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা  বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

ooooo

সংযুক্ত ৰাষ্ট্ৰৰ এটা সমীক্ষাত ২০২২ চনৰ সমগ্ৰ বিশ্বত উৎপাদিত খাদ্যৰ প্ৰায় ১৯ শতাংশ অৰ্থাৎ ১ দশমিক ০ - ৫ বিলিয়ন মেট্ৰিকটন খাদ্য অপচয় হৈছে বুলি প্ৰকাশ পাইছে। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ অনুষ্ঠানৰ খাদ্য অপচয় সূচকাংক সমীক্ষাত ২০৩০ চনলৈ খাদ্যৰ অপচয় বৰ্তমানতকৈ আধা কৰাৰ বাবে চেষ্টা কৰিবলৈ দেশসমূহৰ সম্পীৰক্ষা চলাব বুলি মন্তব্য কৰে। ৰাষ্ট্ৰসংঘৰ মতে ২০২১ চনৰ তুলনাত বৰ্তমান খাদ্য অপচয় কৰা দেশৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাই ২০২১ চনৰ সম্পৰীক্ষা মতে ২০১৯ চনত মুঠ ১৭ শতাংশ অৰ্থাৎ ৯৩১ মিলিয়ন মেট্ৰিকটন হৈছেগৈ। উল্লেখযোগ্য যে গৱেষণা মতে প্ৰতিজন ব্যক্তিয়ে বাৰ্ষিক প্ৰায় ৭৯ কিলোগ্ৰাম খাদ্যৰ অপচয় কৰে তথা বিশ্বজুৰি প্ৰতিদিনে কমেও ১ বিলিয়ন খাদ্যৰ অপচয় হয় বুলি প্ৰকাশ পাইছে।

ooooooo

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কালি নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত বিৰোধীয়ে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি কৰা মন্তব্যক আম আদমী পাৰ্টীয়ে গৰিহণা দিছে। দলটোৰ ৰাজ্যিক নেতা হেমন্ত ফুকনে এখন সংবাদমেল আয়োজন কৰি নাগৰিকত্ব সংশোধনী আইন উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ থকাৰ সময়তে ইয়াক বলৱৎ কৰা হৈছে বুলি শ্ৰী সোণোৱালক প্ৰশ্ন কৰিছে। আনহাতে, বিজেপিয়ে কৈছে যে এই আইনখনক লৈ আম আদমী পাৰ্টীয়ে বিজেপিয়ে অপ-প্ৰচাৰ কৰা বুলি মন্তব্য কৰিছে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰ্ৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৩টা উইকেট হেৰুৱাই ২৭৭ ৰান কৰি ইতিহাস ৰচনা কৰে। হায়দৰাবাদৰ হৈ হেন্‌ৰিক ক্লাচেনে ৩৪টা বলত ৮০ ৰান কৰাৰ বিপৰীতে অভিষেক শৰ্মাই ২৩টা বলত ৬৩ আৰু ট্ৰেৱিছ হেডে ২৪টা বলত ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাই ইণ্ডিয়ানছে ২৭৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ তিলক বাৰ্মাই ৩৪টা বলত ৬৪ ৰান কৰে। ক্লাচেনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ooo

শীৰ্ষ বাছনিপ্ৰাপ্ত ভাৰতৰ টেনিছ খেলুৱৈ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটিটো আজি মিয়ামি অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত স্পেইনৰ মাৰ্চেল গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৱাচিয়ো জেবালোছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**